**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ নিৰ্ধাৰিত লক্ষ্যৰ পূৰ্বেই ভাৰতত ছিকেল ছেল ৰোগ নিৰ্মূল হ'ব বুলি আস্থা ব্যক্ত কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি কৰিব।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা দেওবাৰে পুনৰ অনুষ্ঠিত হ'বলগীয়া নীটৰ পৰীক্ষাৰ্থীসকলৰ বাবে এটা হোৱাটছএপ যোগাযোগ ব্যৱস্থা মুকলি কৰিছে।

৪। ডুবাইত ভাৰতীয় কন্সুলেট জেনেৰেল আৰু ডুবাই আৰক্ষীৰ ইতিবাচক উদ্যম পৰিষদৰ সমন্বিত উদ্যোগত অহা ২১ জুনত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস আয়োজন কৰা হ'ব।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ এখন খেলত দক্ষিণ কোৰিয়াক ১ - ০ গ'লত পৰাস্ত কৰি মেক্সিক'ই প্ৰথমখন দেশ হিচাপে নকআউট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি তেওঁৰ গৃহৰাজ্য ওড়িশালৈ যাব। শ্ৰীমতী মুৰ্মু বিয়লিৰ ভাগত ময়ুৰভঞ্জ জিলাৰ দন্দবোস এয়াৰ্ষ্ট্ৰীপত উপস্থিত হ'ব। এই খণ্ডত স্বাস্থ্যসেৱা, আন্তঃগাঁথনি আৰু জনসেৱা শক্তিশালী কৰাৰ লক্ষ্যৰে তেওঁ এলানি কাৰ্যসূচীত অংশ ল'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে আজি সন্ধিয়া ৰায়ৰাংপুৰত স্বাস্থ্যসেৱা, খোৱাপানী আৰু ৰাজহুৱা আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমতী মুৰ্মুৱে ভূৱনেশ্বৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানে আয়োজন কৰা চিকিৎসা শিবিৰ, খনন প্ৰভাৱিত গাঁওসমূহৰ বাবে পাইপযোগে পানী যোগানৰ বৃহৎ আঁচনি, ব্ৰহ্মকুমাৰীৰ মাতৃ শক্তি ভৱন আৰু বিশেষ আৱৰ্ত ভৱন উদ্বোধন কৰিব।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০৪৭ চনৰ নিৰ্ধাৰিত লক্ষ্যৰ পূৰ্বেই ভাৰতত ছিকেল ছেল ৰোগ নিৰ্মূল হ'ব বুলি আস্থা ব্যক্ত কৰিছে। বিশেষকৈ জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত এই জিনীয় তেজৰ ৰোগবিধৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে কাৰ্যকৰী ব্যৱস্থা ল'বলৈ শ্ৰীমতী মুৰ্মুৱে আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি মধ্যপ্ৰদেশৰ ওমকাৰেশ্বৰত আন্তঃৰাষ্ট্ৰীয় ছিকেল ছেল দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত ভাগ লৈ এইদৰে কয়। অনুষ্ঠানত মধ্য প্ৰদেশৰ ৰাজ্যপাল মংগোভাই পেটেল আৰু মুখ্যমন্ত্ৰী মোহন যাদৱ উপস্থিত থাকে। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বিয়পিব পৰা এই ৰোগবিধক সহজে নল'বলৈ শ্ৰীমতী মুৰ্মুৱে সকলো ৰাজ্য চৰকাৰ তথা বিষয়াসকলক আহ্বান জনায়। তেওঁ ৰাষ্ট্ৰীয় ছিকেল ছেল এনিমিয়া নিৰ্মূল অভিযানৰ অধীনত মধ্য প্ৰদেশ চৰকাৰে লাভ কৰা সাফল্যৰ শলাগ লয়। ৰাজ্যখনে এই অভিযানৰ অধীনত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ২০২৩ চনত এই ৰাষ্ট্ৰীয় অভিযান আৰম্ভ কৰাৰ সময়ত বৃহৎ পৰিসৰত ইয়াৰ পৰীক্ষণ কৰাটো এটা অন্যতম লক্ষ্য আছিল আৰু মধ্যপ্ৰদেশ চৰকাৰে সম্প্ৰতি এই লক্ষ্যপ্ৰাপ্তি কৰাটো সন্তুষ্টিৰ বিষয়।

অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে ৰাষ্ট্ৰীয় ছিকেল ছেল এনিমিয়া নিৰ্মূল অভিযান, ২০৪৭-ৰ অধীনত স্থাপন কৰা বিশেষ প্ৰদৰ্শনী পৰিদৰ্শন কৰে। প্ৰদৰ্শনীত জনজাতি পৰিক্ৰমা, অনুসূচিত জাতি কল্যাণ, চিকিৎসা শিক্ষা, জনস্বাস্থ্য আৰু আয়ুসকে ধৰি বিভিন্ন বিভাগসমূহে ছিকেল ছেল ৰোগীৰ বাবে থকা স্বাস্থ্য সেৱা, কল্যাণমূলক আঁচনি আৰু সজাগতা কাৰ্যসূচীৰ বিষয়ত তথ্য আগবঢ়ায়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি কৰিব। দেশৰ প্ৰায় ২০০ টা স্থানত আজি এই উপলক্ষে আঞ্চলিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাই দেশত ১৫ লাখ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত সহায় কৰিছে। কৰ্মচাৰী আৰু নিয়োগকৰ্তা দুয়োপক্ষকে আনুষ্ঠানিক অৰ্থ ব্যৱস্থাত অংশগ্ৰহণৰ প্ৰতি উৎসাহিত কৰাৰ বাবে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত প্ৰথমবাৰৰ বাবে নিযুক্তি লাভ কৰাসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। তদুপৰি অতিৰিক্ত নিয়োগ সৃষ্টি কৰা নিয়োগকৰ্তাসকলক প্ৰতিমাহে প্ৰতিজন অতিৰিক্ত কৰ্মচাৰীৰ বাবে ৩,০০০ টকাকৈ উদগনিমূলক ধন প্ৰদান কৰা হয়। বিগত বৰ্ষৰ ১ আগষ্টত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে দুবছৰৰ ভিতৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক নিয়োগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ ওড়িশা আৰু পশ্চিমবংগ ভ্ৰমণলৈ যাব। প্ৰধানমন্ত্ৰীয়ে ওড়িশাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ সৈতে ময়ুৰভঞ্জ জিলাৰ পাহাৰপুৰ গাঁৱৰ চান্থালী জাহেৰা আৰু হো জাহিৰা পৱিত্ৰ বনত সেৱা আগবঢ়াব। ইয়াৰ পাছত তেওঁলোকে জিলাখনৰ ৰায়ৰাংপুৰত ওড়িশা চৰকাৰৰ দুবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশ ল'ব।  এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে ৪৭ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদী দুদিনীয়া ভ্ৰমণসূচীৰে পশ্চিমবংগলৈ যাব। শ্ৰী মোদীয়ে কাইলৈ হুগলী জিলাৰ তাৰকেশ্বৰত পশ্চিমবংগ দিৱস উদযাপনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ পশ্চিমবংগত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে কাইলৈ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২৩ সংখ্যক কিস্তি মুকলি কৰিব। ইয়াৰ অধীনত দেশৰ ৯ কোটি ৪৪ লাখৰো অধিক কৃষকৰ বেংক একাউণ্টলৈ ১৮ হাজাৰ ৮৮০ কোটি টকাৰো অধিক ধন প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হ'ব।

তেওঁ লগতে ৰাজ্যখনত কেইবাটাও গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কৃষি আঁচনি মুকলি কৰিব। এই আঁচনিসমূহৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা প্ৰাকৃতিক কৃষিৰ ৰাষ্ট্ৰীয় অভিযান আৰু প্ৰধানমন্ত্ৰী ধন ধান্য কৃষি যোজনা অন্যতম।

প্ৰধানমন্ত্ৰী মোদীয়ে অহা দেওবাৰে কলকাতাত আয়োজন কৰা দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছত তেওঁ কলকাতাৰ শ্যামা প্ৰসাদ মুখাৰ্জী বন্দৰত আই এন এছ দুনাগিৰি, আই এন এছ শংখোধাক আৰু আই এন এছ এগ্ৰে নামৰ তিনিখন থলুৱাভাৱে নিৰ্মিত নৌজাহাজ মুকলি কৰিব।

০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা দেওবাৰে পুনৰ অনুষ্ঠিত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীটৰ পৰীক্ষাৰ্থীসকলৰ বাবে এটা হোৱাটছএপ যোগাযোগ ব্যৱস্থা মুকলি

কৰিছে। ৭৮২৭৯-৮০২৮৭ এই প্ৰমাণিত নম্বৰৰ জৰিয়তেহে সকলোবোৰ বিভাগীয় হোৱাট্‌ছএপ তথ্য প্ৰেৰণ কৰা হ'ব বুলি এন টি এই স্পষ্ট কৰি দিছে। সংস্থাটোৱে যিকোনোধৰণৰ বাৰ্তাক বিশ্বাস কৰাৰ পূৰ্বে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ নাম আৰু নীলা ৰঙৰ প্ৰমাণীকৰণ চিহ্ন পৰীক্ষা কৰিবলৈ পৰীক্ষাৰ্থীসকলক পৰামৰ্শ দিছে।

এন টি এই লগতে ২১ জুনৰ পুনৰ পৰীক্ষাৰ বাবে ইতিমধ্যে প্ৰৱেশ পত্ৰ ডাউনলোড কৰা পৰীক্ষাৰ্থীসকলে পুনৰ প্ৰৱেশপত্ৰ ডাউনলোড কৰাৰ প্ৰয়োজন নাই বুলি স্পষ্ট কৰিছে। এতিয়ালৈকে নতুন প্ৰৱেশ পত্ৰ ডাউনলোড নকৰা পৰীক্ষাৰ্থীসকললৈহে এছ এম এছ ই-মেইল অথবা হোৱাট্‌ছএপ বাৰ্তা প্ৰেৰণ কৰা হৈছে বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। বহু পৰীক্ষাৰ্থীৰ বাবে তেওঁলোকৰ পছন্দ অনুসৰি নতুন পৰীক্ষা কেন্দ্ৰ নিৰ্ধাৰণৰ পৰিপ্ৰেক্ষিতত যোৱা ৩ মে'ৰ পৰীক্ষাৰ বাবে দিয়া প্ৰৱেশ পত্ৰ অহা দেওবাৰৰ পুনৰ পৰীক্ষাৰ বাবে বৈধ নহয় বুলি এন টি এই উল্লেখ কৰিছে।

০০০০০০০০০

ডুবাইত ভাৰতীয় কন্সুলেট জেনেৰেল আৰু ডুবাই আৰক্ষীৰ ইতিবাচক উদ্যম পৰিষদৰ সমন্বিত উদ্যোগত অহা ২১ জুনত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস আয়োজন কৰা হ'ব। এই অনুষ্ঠানত ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ লগতে ডুবাইৰ আৰক্ষী, কূটনীতিক, শিক্ষাৰ্থী আৰু যোগ অনুশীলনকাৰীসকলে অংশগ্ৰহণ কৰিব। অংশগ্ৰহণকাৰীসকলে যোগাসনৰ সময়ত উশাহ-নিশাহৰ কৌশল আৰু ধ্যান আদিৰ জৰিয়তে শৰীৰৰ সামগ্ৰিক সুস্থতাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰিব।

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণীৰ নতুন দিল্লীত থকা প্ৰধান কাৰ্যালয়ত ইয়াৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ বাবে যোগাসনৰ আয়োজন কৰা হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোকসভাত বিৰোধী দলৰ দলপতি ৰাহুল গান্ধীক আজি জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা শুভেচ্ছা বাৰ্তাৰ জৰিয়তে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৰাহুল গান্ধীৰ সুস্বাস্থ্য আৰু সুদীৰ্ঘ জীৱন কামনা কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও ৰাহুল গান্ধীক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০

জোৰাম পিপলছ্‌ মুভমেণ্ট দলৰ প্ৰাৰ্থী কে লালটলুৱাংকিমাই মিজোৰামৰ একমাত্ৰ ৰাজ্যসভাৰ আসনখনৰ বাবে নিৰ্বাচিত হৈছে। কালি আইজলৰ বিধানসভাত অনুষ্ঠিত ৰাজ্য সভা নিৰ্বাচনত তেওঁ মিজো নেচনেল ফ্ৰণ্টৰ প্ৰাৰ্থী জোথানছাংগি মাৰক ১৬টা ভোটত পৰাস্ত কৰে। ৰাজ্যখনৰ বিধানসভাৰ মুঠ ৪০ গৰাকী সদস্যৰ ভিতৰত ৩৬ জনে ভোটদান কৰে আৰু ইয়াৰে লালটলুৱাংকিমাই ২৬টা ভোট লাভ কৰাৰ বিপৰীতে জোথান ছাংগিয়ে ১০ টা ভোট লাভ কৰে।

০০০০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা গুৱাডা লাজাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দক্ষিণ কোৰিয়াক ১ - ০ গ'লত পৰাস্ত কৰি মেক্সিক'ই প্ৰথমখন দেশ হিচাপে নকআউট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত আজি কানাডাই কাটাৰক ৬-০ গ'লত পৰাস্ত কৰে।

০০০০০০০০

সমাপ্ত